জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৪৪/২০২০

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে আগবঢ়ালে বৰঙনি

**দিছপুৰ, ৩১ মাৰ্চ ঃ** ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ আজিৰ দিনটোতো ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে বৰঙনি আগবঢ়াই আছে। ইয়াৰ ভিতৰত কৃষ্ণগুৰু ফাউণ্ডেশ্যনে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১ লাখ টকাৰ বৰঙনি আগবঢ়োৱাৰ লগতে সুৰজিৎ সিনহাই ৮ লাখ টকাৰ বৰঙনি আগবঢ়াইছে। তদুপৰি, মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ নাৰায়ণ প্ৰসাদ দাসে ২৫ হাজাৰ টকা, লৰেঞ্চ ইংটিয়ে ১০ হাজাৰ টকা, মুনিন কুমাৰ দাসে ১১,১১১ টকা, বিশ্বজিৎ দাসে ১০ হাজাৰ টকা, চিৰঞ্জীৱ শইকীয়াই ১১ হাজাৰ টকা, সুবোধ নাথে ৮ হাজাৰ টকা, দিলীপ কুমাৰ তালুকদাৰে ৫ হাজাৰ টকা, সঞ্জীৱ ৰাজখোৱাই ৫ হাজাৰ টকা, মৃণাল কুমাৰ কলিতাই ৫ হাজাৰ টকা, মনমোহন ৰাজবংশীয়ে ১০ হাজাৰ টকা, কী ষ্ট'ন-ডি কুমাৰ-এছ কে কনষ্ট্ৰাকশ্যনে ৫১ হাজাৰ, গোপাল চন্দ্ৰ ডেকাই ২৫ হাজাৰ, আৰ আৰ এণ্টাৰপ্ৰাইজে ৫১ হাজাৰ টকা, ত্ৰিদিৱ ৰঞ্জন দত্তই ২৫ হাজাৰ টকা, বৈকুণ্ঠ বৰুৱাই ২৫ হাজাৰ টকা, ভূপেন বৰুৱাই ৫০ হাজাৰ টকা আৰু যতীন চন্দ্ৰ বৰুৱাই ৫০ হাজাৰ টকাৰ বৰঙনি আগবঢ়াইছে। ইয়াৰ উপৰি অসম আৰোগ্য নিধিলৈ বৰনন্দী পূজা খোলা গাঁও উন্নয়ন সমিতিয়ে ১০ হাজাৰ টকা আৰু মুকুল বৰাই ৫০ হাজাৰ টকাৰ বৰঙনি আগবঢ়াইছে। ইয়াৰ লগতে বিভিন্ন ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানে অনলাইন যোগেও বৰঙনি আগবঢ়াই আছে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**৩১/০৩/২০২০**